# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-02-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে কাইলৈ অসমলৈ আহিব।

২। কেন্দ্ৰীয় চৰকাৰে ৫ খন ৰাজ্যলৈ গ্ৰাম্য স্থানীয় নিকায়সমূহ সুদৃঢ় কৰাৰ উদ্দেশ্যে ২০২৫-২৬ বৰ্ষৰ বাবে অ-নিৰ্ধাৰিত পুঁজিৰ দ্বিতীয় কিস্তি হিচাপে ৩ হাজাৰ ৩২৪ কোটিৰো অধিক টকাত অনুমোদন জনাইছে।

৩। ভাৰতীয় ৰিজাৰ্ভ বেংকে কালি কিষান ক্ৰেডিট কাৰ্ড আঁচনিৰ বাবে সংশোধিত খচৰা নিয়মাৱলী জাৰি কৰিছে।

৪। আজি বিশ্ব ৰেডিঅ' দিৱস। ১৯৪৬ চনত ৰাষ্ট্ৰসংঘ ৰেডিঅ' স্থাপনৰ স্মৃতিত প্ৰতি বছৰে ১৩ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়।

*আৰু*

৫। পুৰুষৰ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে যোৱানিশা নামিবিয়াক ৯৩ ৰানত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে কাইলৈ অসমলৈ আহিব। শ্ৰীমোদীয়ে পোনে পোনে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। তেওঁ মৰাণত জৰুৰীকালীন অৱস্থাত উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীলৈ আহিব আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ মুকলি কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত সেৱা তীৰ্থ নামেৰে নামকৰণ কৰা নতুন ভৱন উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে সেৱা তীৰ্থ আৰু কৰ্তব্য ভৱন ১ আৰু ২ ও আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ লগতে সন্ধিয়াৰ ভাগত সেৱা তীৰ্থত এখন জনসভাতো ভাষণ দিব। এই উদ্বোধনে

আধুনিক, দক্ষ আৰু নাগৰিক-কেন্দ্ৰিক পৰিৱেশ তন্ত্ৰ গঠন কৰাত প্ৰধানমন্ত্ৰীৰ প্ৰতিশ্ৰুতিবদ্ধতাকেই প্ৰতিফলিত কৰে।

সেৱাতীৰ্থ ভৱনত প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদ সচিবালয়, কেবিনেট সচিব আদি থাকিব, যি সমূহ ইয়াৰ পূৰ্বে বিভিন্ন স্থানত আছিল। সেইদৰে কৰ্তব্য ভৱন ১ আৰু ২ ত কেইবাটাও গুৰুত্বপূৰ্ণ মন্ত্ৰালয় থাকিব।

ooooo

কেন্দ্ৰীয় চৰকাৰে বিহাৰ, হাৰিয়ানা, হিমাচল প্ৰদেশ, উত্তৰ প্ৰদেশ আৰু পশ্চিমবংগৰ গ্ৰাম্য স্থানীয় নিকায়সমূহ সুদৃঢ় কৰাৰ উদ্দেশ্যে পঞ্চদশ বিত্ত আয়োগৰ পৰামৰ্শ অনুসৰি ২০২৫-২৬ বৰ্ষৰ বাবে অ-নিৰ্ধাৰিত পুঁজিৰ দ্বিতীয় কিস্তি হিচাপে ৩ হাজাৰ ৩২৪ কোটিৰো অধিক টকাত অনুমোদন জনাইছে। পঞ্চায়তী ৰাজ মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে, অ-নিৰ্ধাৰিত পুঁজিৰ এই ধনৰাশি স্থানীয় আৰশ্যকতা পূৰণৰ বাবে ব্যৱহাৰ কৰা হ'ব। ইয়াৰ উপৰি স্বচ্ছতা বিষয়ক বুনিয়াদী সেৱা আৰু মুকলিত মল ত্যাগ অভ্যাস মুক্ত ঠাইৰ স্বীকৃতি অক্ষুন্ন ৰখাৰ লগতে খোৱাপানী যোগান, বৰষুণৰ পানী সংৰক্ষণ আৰু ব্যৱহৃত পানী পুনৰ ব্যৱহাৰ যোগ্য কৰি তোলাৰ কামত এই ধনৰাশি ব্যৱহাৰ কৰা হ'ব বুলি মন্ত্ৰ্যালয়ে জানিবলৈ দিছে।

ooooo

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইয়ে কালি কিষান ক্ৰেডিট কাৰ্ড আঁচনিৰ বাবে সংশোধিত খচৰা নিয়মাৱলী জাৰি কৰিছে। এই অনুসৰি মাটিৰ গুণাগুণ পৰীক্ষা, বতৰৰ আগজাননী, জৈৱিক প্ৰমাণিকৰণৰ দৰে কৃষি প্ৰযুক্তি উদ্যমসমূহৰ বাবদ হোৱা ব্যয়ক কৃষি ঋণৰ বাবে যোগ্য উপাদান হিচাপে অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। খচৰা নিয়মাৱলীত প্ৰতিগৰাকী ঋণ লওতাক ২ লাখ টকা পৰ্যন্ত কৃষি আৰু আনুসংগিক ঋণৰ বাবে বন্ধকী আৰু নিজাববীয়াকৈ আগধন জমা দিয়া ব্যৱস্থাৰ পৰা ৰেহাই দিয়াৰ প্ৰস্তাৱ দিয়া হৈছে। কিষান ক্ৰেডিট কাৰ্ড আঁচনিৰ অধীনত আহৰণৰ সীমা শস্যভিত্তিক বিত্ত যোগানৰ নিয়মাৱলী অনুৰূপ কৰা হৈছে। এই অনুসৰি ১ হেক্টৰ পৰ্যন্ত খেতি-মাটি থকা উপান্ত কৃষকসকলৰ বাবে ১০ হাজাৰৰ পৰা ৫০ হাজাৰ টকাৰ শিথিল ঋণ সীমাৰ প্ৰস্তাৱ দিয়া হৈছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে শস্য চপাবলৈ প্ৰয়োজন হোৱা সময়-কম দিনত হোৱা শস্যৰ বাবে ১২ মাহ আৰু অধিক সময়ৰ প্ৰয়োজন হোৱা শস্যৰ ক্ষেত্ৰত ১৮ মাহ নিৰ্ধাৰণ কৰিছে। ইয়াৰ উপৰি কিষান কাৰ্ডৰ ম্যাদ ৬ বছৰলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। এই খচৰা নিয়মাৱলী সন্দৰ্ভত ৬ মাৰ্চ পৰ্যন্ত দিহা পৰামৰ্শ আৰু মতামত আগবঢ়াব পৰা যাব।

ooooo

আজি বিশ্ব ৰেডিঅ' দিৱস। ১৯৪৬ চনত ৰাষ্ট্ৰসংঘ ৰেডিঅ' স্থাপনৰ স্মৃতিত প্ৰতি বছৰে ১৩ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। এইবছৰৰ বিশ্ব ৰেডিঅ' দিৱসৰ মূল ধ্বনি হৈছে- কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰেডিঅ' ঃ কৃত্ৰিম বুদ্ধিমত্তা এক প্ৰকাৰৰ আহিলাহে, কণ্ঠ নহয়। বিশ্ব ৰেডিঅ' দিৱসত এইবছৰ কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ ফলত অনাতাঁৰ প্ৰচাৰণৰ ক্ষেত্ৰত আহি পৰা সুবিধা আৰু প্ৰত্যাহবান সম্পৰ্কত আলোচনা কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিশ্ব ৰেডিঅ' দিৱসৰ সৈতে সংগতি ৰাখি আজিৰে পৰাই ইয়াৰ পডকাষ্ট আৰম্ভ কৰিব। আজি পুৱা ৯ বাজি

২০ মিনিটত প্ৰচাৰিত হ'বলগীয়া আকাশবাণী গুৱাহাটীৰ প্ৰথমটো পডকাষ্টত ভাগ ল'ব কেন্দ্ৰটোৰ মুৰব্বী, অভিযান্ত্ৰিক শাখাৰ উপ সঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো আৰু সীমান্ত বাৰ্মাই।

বিয়লি ৩ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰত এটা মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। সন্ধিয়া ৫ বাজি ২০ মিনিটত গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য প্ৰযুক্তি বিভাগৰ অধ্যাপক ড° ৰূপম ভট্টাচাৰ্যই ৰেডিঅ' আৰু কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষক বক্তৃতা প্ৰদান কৰিব।

আনহাতে আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ভাৰতীয় সাংস্কৃতিক গৱেষণা পৰিষদ চমুকৈ আই চি চি আৰৰ কলম্বো কাৰ্যালয়ৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ড° অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাতকাৰ বাণীবদ্ধ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে ড° দত্তৰ এই সাক্ষাতকাৰ কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

০০০০০

কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি লোকসভাত বিৰোধী নেতা ৰাহুল গান্ধীক তীব্ৰ ভাষাৰে সমালোচনা কৰি কয় যে, দেশৰ কৃষক সকলৰ প্ৰতি তেওঁ উদ্বিগ্ন নহয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীচৌহানে কয় যে, কৃষকসকলৰ সবলীকৰণৰ বাবে তেওঁ একেবাৰেই চিন্তিত নহয় আৰু প্ৰতিবাৰেই ৰাষ্ট্ৰবিৰোধী কৰি আহিছে। কৃষিমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাহুল গান্ধীয়ে মিছা কথা কোৱাৰ সকলো অভিলেখ ভংগ কৰিছে আৰু মিছা কথাৰেই তেওঁ জনসাধাৰণৰ মাজত বিভ্ৰান্তি সৃষ্টিৰ প্ৰয়াস কৰি আহিছে।

শ্ৰীচৌহানে কয় যে, ইয়াৰ বিপৰীতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষকসকলৰ কল্যাণৰ বিষয়টোক সদায় অগ্ৰাধিকাৰ দি আহিছে আৰু কৃষকসকলৰ স্বাৰ্থক আগত ৰাখিহে চৰকাৰৰ সকলোবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি অহা হৈছে। তেওঁ কয় যে, শেহতীয়াকৈ আমেৰিকাৰ সৈতে স্বাক্ষৰিত চুক্তিয়ে কৃষকসকলৰ স্বাৰ্থ সম্পূৰ্ণৰূপে সুৰক্ষিত ৰাখিছে।

০০০০০

লোকসভাত বিৰোধী দলৰ নেতা কংগ্ৰেছৰ ৰাহুল গান্ধীয়ে ভুৱা তথ্য বিয়পোৱাৰ লগতে ভিত্তিহীন অভিযোগ উত্থাপন কৰা বুলি কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোয়েলে মন্তব্য কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীগোয়েলে কয় যে, ভুৱা ব্যাখ্যাৰে শ্ৰীগান্ধীয়ে দেশৰ কৃষক সকলক বিপথে পৰিচালিত কৰাৰ প্ৰয়াস কৰিছে। আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন আঁচনি আৰু নীতিৰ জৰিয়তে কৃষকসকলৰ কল্যাণৰ হকে কাম কৰি আছে।

০০০০০

পুৰুষৰ টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে যোৱানিশা নতুন দিল্লীত অনুষ্ঠিত গ্ৰুপ-এৰ এখন খেলত নামিবিয়াক ৯৩ ৰানত পৰাস্ত কৰে। নামিবিয়াই ২১০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ

আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ২০৯ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ঈশান কিষানে ২৪টা বলত সৰ্বাধিক ৬১ ৰান কৰে। ইয়াৰ লগে লগে ঈষান কিষান টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ইতিহাসত অৰ্ধশতক অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় উইকেট কিপাৰ হিচাপে পৰিগণিত হয়। হাৰ্দিক পাণ্ডিয়াই ৫২ ৰানৰ বৰঙণি আগবঢ়ায়। পাণ্ডিয়াক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। ইয়াৰ আগেয়ে কালি কেণ্ডিত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত শ্ৰীলংকাই ওমানক ১০৫ ৰানত পৰাস্ত কৰে। মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত আন এখন খেলত ইটালীয়ে নেপালক ১০ উইকেটত পৰাভূত কৰে।

প্ৰতিযোগিতাত আজি তিনিখন খেল অনুষ্ঠিত হ'ব। দিনৰ ১১ বজাত কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত জিম্বাব'ৱে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দিল্লীত অৰুণ জেটলী ষ্টেডিয়ামত বিয়লি ৩ বজাত হ'বলগীয়া গ্ৰুপ-ডিৰ এখন খেলত কানাডা, ইউ এ ইৰ সন্মুখীন হ'ব। আজিৰ তৃতীয়খন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰ, নেডাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ-এৰ খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

০০০০০

**সমাপ্ত**